**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

বিশ্বৰ ৰোমান কেথলিক চাৰ্চৰ মুৰব্বী পোপ ফ্ৰান্সিছৰ শেষকৃত্য আজি ৰোমৰ ছেইণ্ট মেৰী মেজৰ বেছিলিকাত সম্পন্ন কৰা হ'ব। ভেটিকান চিটীৰ ছেইণ্ট পিটাৰ্চ স্কুৱেৰৰ পৰা ভাৰতীয় সময় অনুসৰি আজি দিনৰ ডেৰ বজাত শেষকৃত্য কাৰ্যসূচী আৰম্ভ হ'ব। এই শেষকৃত্য কাৰ্যসূচীত বিশ্বৰ ভালেকেইগৰাকী ৰাষ্ট্ৰপ্ৰধান আৰু প্ৰতিনিধিৰ লগতে সাধাৰণ জনতাই অংশগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ভাৰত চৰকাৰ আৰু দেশৰ জনসাধাৰণৰ হৈ তেওঁৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিব। শেষকৃত্য কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলগীয়া বিশ্বৰ নেতাসকলৰ ভিতৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প, ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ', ব্ৰাজিলৰ ৰাষ্ট্ৰপতি লুইজ ইনাচিঅ' লুলা দ্যা ছিলভা আৰু আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি জেভিয়াৰ মিলেই অন্যতম।

যোৱা ২১ এপ্ৰিলত মৃত্যু হোৱা পোপ ফ্ৰান্সিছৰ শেষকৃত্য কাৰ্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্যে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু দুদিনীয়া ভ্ৰমণসূচীৰে কালি ভেটিকান চিটীত উপস্থিত হয়। শ্ৰীমতী মুৰ্মুৰ সৈতে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজু, সংখ্যালঘু পৰিক্ৰমা ৰাজ্যমন্ত্ৰী জৰ্জ কুৰিয়ান আৰু গোৱা বিধানসভাৰ উপাধ্যক্ষ জোশুৱা ডি ছুজাও ভেটিকান চিটিলৈ গৈছে।

পোপ ফ্ৰান্সিছৰ প্ৰতি সন্মান জনাই ভাৰতে ২২ এপ্ৰিলৰ পৰা আজিলৈকে তিনি দিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সমাধিস্থ কৰিবলগীয়া পোপ ফ্ৰান্সিছৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে সমাজৰ প্ৰতি আগবঢ়াই যোৱা সেৱাৰ বাবে পোপ ফ্ৰান্সিছক সমগ্ৰ বিশ্বই মনত ৰাখিব। ভাৰতবাসীৰ হৈ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পোপ ফ্ৰান্সিছক ভেটিকান চিটিত শ্ৰদ্ধাঞ্জলি জনাতব বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। oooo

জম্মু কাশ্মীৰত যোৱা নিশা নিয়ন্ত্ৰণ ৰেখাত পাকিস্তানে কেইবাঠাইতো যুদ্ধ বিৰতি উলংঘা কৰে। কাশ্মীৰ অঞ্চলত নিয়ন্ত্ৰণ ৰেখাত পাকিস্তানী বাহিনীয়ে গুলী বৰ্ষণ কৰে আৰু ভাৰতৰ সেনাই গুলীৰে ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিয়ে। জানিব পৰা মতে এই গুলীয়া গুলিৰ ঘটনাত ভাৰতৰ ফালৰ কোনো হতাহত হোৱাৰ খবৰ পোৱা হোৱা নাই। সেনাবাহিনীৰ সুত্ৰই প্ৰকাশ কৰা অনুসৰি নিয়ন্ত্ৰণ ৰেখাত শান্তি ভংগ কৰাৰ উদ্দেশ্যৰেই পাকিস্তানে অপ্ৰৰোচিতভাৱে গুলী বৰ্ষণ কৰে। সমগ্ৰ পৰিস্থিতিত ভাৰতীয় বাহিনীয়ে সুক্ষ্ম দৃষ্টি ৰাখি আছে।

পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত সেনা বাহিনী আৰু অনান্য সুৰক্ষা সংস্থাসমূহে সমগ্ৰিক পৰিস্থিতিত চকু ৰাখিছে। সন্ত্ৰাসবাদীৰ সৈতে সম্বন্ধ থকা বিষয়ৰ অনুসন্ধান, পৰ্যটকসকলৰ চিনাক্তকৰণ আৰু সংখ্যা গণনা আদি বিষয়ত বিশেষ গুৰুত্ব দিয়া হৈছে। ইয়াৰ সমান্তৰালকৈ সমগ্ৰ কাশ্মীৰত বিশেষ তালাচী অভিযান চলোৱা হৈছে।

বিশেষকৈ দক্ষিণ কাশ্মীৰৰ জিলাসমূহত এই অভিযানত গুৰুত্ব দিয়া হৈছে। ইয়াৰ জৰিয়তে পেহেলগাম ঘটনাৰ প্ৰকৃত পৰিকল্পনাকাৰীক ধৰা পেলোৱা আৰু কিদৰে আক্ৰমণটো সংঘটিত কৰা হৈছিল সেই বিষয়ে সকলো তথ্য বিচাৰি উলিয়াবলৈ চেষ্টা কৰা হৈছে। পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ২২ এপ্ৰিলৰ পৰাই ৰাষ্ট্ৰীয় তদন্ত সংস্থা, এন আই এৰ এটা বিশেষ দলে ঘটনাৰ অনুসন্ধান কৰি আছে।

ooooo

যেতিয়া যুৱ প্ৰজন্মই ৰাষ্ট্ৰ নিৰ্মাণত ভাগ লয় তেতিয়া ৰাষ্ট্ৰৰ বিকাশ খৰতকীয়া হয় আৰু সমগ্ৰ বিশ্বতে ই প্ৰভাৱ বিস্তাৰ কৰে বুলি প্ৰধানপ্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে। তেওঁ কয় যে দেশৰ যুৱ প্ৰজন্মই তেওঁলোকৰ কষ্ট আৰু উদ্ভাৱনৰ জৰিয়তে বিশ্বক ভাৰতৰ সম্ভাৱনাৰ উমান দিছে। ভিডিঅ' কনফাৰেনছিঙৰ জৰিয়তে চৰকাৰৰ বিভিন্ন বিভাগত নতুনকৈ নিযুক্তি পোৱা ৫১ হাজাৰতকৈ অধিক নিযুক্তি বিতৰণ কৰাৰ পাছত নিয়োগ মেলাত প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে নিযুক্তি পত্ৰ লাভ কৰা যুৱনক-যুৱতীসকলৰ ৰাষ্ট্ৰৰ অৰ্থনীতি, আভ্যন্তৰীণ সুৰক্ষা, আধঘুনিক আন্তঃগাঠনি বিকশাই তোলা আৰু শ্ৰমিকসকলৰ জীৱনলৈ পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত গধুৰ দায়িত্ব আছে। তেওঁ লগতে উল্লেখ কৰে যে তেওঁলোকে নিজৰ কৰ্ম যিমান সততাৰে কৰিব বিকশিত ভাৰতৰ যাত্ৰাক দেশক সিমানে আগবঢ়াই নিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২১ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী- দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপতো শুনিবলৈ পোৱা যাব। আকাশবাণী, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ৰ ইউ টিউব চেনেলতো এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে এই অনুষ্ঠানৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooo

পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰী খাৱাজা মুহাম্মদ আছিফে স্বীকাৰ কৰিছে যে দেশখনে ৩ দশক ধৰি সন্ত্ৰাসবাদক সমৰ্থন কৰি আহিছে। ব্ৰিটেইনৰ এটা বাতৰি চেনেলত দিয়া সাক্ষাৎকাৰত মন্ত্ৰী আছিফে দাবী কৰে যে পশ্চিমৰ কেইখনমান দেশৰ প্ৰৰোচনাত পাকিস্তানে অশোভনীয় কামত প্ৰবৃত্ত হৈ আহিছে। ইছলামাবাদে সন্ত্ৰাসবাদীক পুঁজি যোগান আৰু সমৰ্থন দি অহাৰ সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত তেওঁ এই স্বীকাৰোক্তি কৰে। এই কাৰ্যক ঐতিহাসিক ভুল বুলি উল্লেখ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে এই ভুলৰ বাবে পাকিস্তানে চৰম মূল্য ভৰিবলগীয়া হৈছে। তেওঁ কয়, যে ছ'ভিয়েট আফগান যুদ্ধ আৰু 9/11 আক্ৰমণৰ পাছত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত তালিবানৰ বিৰুদ্ধে যুদ্ধত পাকিস্তানে অংশগ্ৰহণ কৰা নাছিল।

ooooo

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা, ডি আৰ ডি অ'য়ে এহেজাৰ ছেকেণ্ডতকৈ অধিক সময় ধৰি ACTIVE COOLED SCRAMJET SUBSCALE COMBUSTOR গ্ৰাউণ্ড পৰীক্ষণ

সম্পন্ন কৰি SCRAMJET ইঞ্জিন বিকাশৰ দিশত গুৰুত্বপূৰ্ণ সফলতা লাভ কৰিছে। ডি আৰ ডি অ'ৰ হায়দৰাবাদৰ গৱেষণাগাৰত নতুনকৈ নিৰ্মাণ কৰা SCRAMJET সংযোগ পৰীক্ষণ কেন্দ্ৰত কালি ইয়াৰ গ্ৰাউণ্ড পৰীক্ষণ কৰা হয়। ইয়াৰ পূৰ্বে জানুৱাৰীত ১২০ চেকেণ্ডৰ বাবে পৰীক্ষণ কৰা হৈছিল। SCRAMJET ইঞ্জিনৰ সফল পৰীক্ষণৰ লগে লগে সম্পূৰ্ণৰূপে উৰণ যোগ্য কম্বাষ্টৰ পৰীক্ষণৰ বাবে শীঘ্ৰে এই ব্যৱস্থা সাজু হৈ উঠিব।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই উল্লখনীয় সাফল্যৰ বাবে ডি আৰ ডি অ', ঔদ্যোগীক অংশীদাৰ তথা বিজ্ঞানীসকলক অভিনন্দন জনাইছে। এই সফলতাই দেশৰ বাবে গুৰুত্বপূৰ্ণ হায়পাৰছ'নিক অস্ত্ৰ-শস্ত্ৰ প্ৰযুক্তি নিৰ্মাণৰ দিশত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকেই প্ৰতিফলিত কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০

আই পি এল টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতা নাইট ৰাইডাৰ্ছে পাঞ্জাৱ কিংছৰ বিৰুদ্ধে খেলিব। খেলখন কলকাতাৰ ইডেন গাৰ্ডেনছত সন্ধ্যা চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। পাঞ্জাৱ কিংছ নিজৰ ৮খন খেলৰ ৫ খনত জয়লাভ কৰি বৰ্তমান পইণ্ট তালিকাৰ পঞ্চম স্থানত আছে। কলকাতা নাইট ৰাইডাৰ্ছ ৮খন খেলৰ ৩খনত জয়লাভ কৰি সপ্তম স্থানত আছে।

চেন্নাইৰ এম এ চিডম্বৰম ষ্টেডিয়ামত কালি অনুষ্ঠিত এখন খেলত ছানৰাইৰ্জাছ হায়দৰাবাদে ৫ উকেটত চেন্নাই ছুপাৰ কিংছক পৰাস্ত কৰে। ছানৰাইৰ্জাছ হায়দৰাবাদে ৮ উইকেট হাতত থকা অৱস্থাতে ১৫৫ ৰানৰ নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। এই জয়ৰ জৰিয়তে দলটো পইণ্ট তালিকাৰ অষ্টম স্থানলৈ উন্নত হয়। আনহাতে চেন্নাই ছুপাৰ কিংছ এতিয়ালৈকে খেলা ৯খন খেলৰ মাত্ৰ দুখনতহে জয়লাভ কৰি পইণ্ট তালিকাৰ একেবাৰে শেষত আছে।

০০০

টিউনিছিয়াৰ টিউনিছত চলি থকা বিশ্ব টেবুল টেনিছ কনটেনডাৰ প্ৰতিযোগিতাত আজি ভাৰতৰ দিয়া চিটালেই ৩খন কোৱাৰ্টাৰ ফাইনেল খেলিব। মহিলাৰ ছিংগ'লছত কালি প্ৰি কোৱাৰ্টাৰ ফাইনেলত মনিকা বাট্ৰাক পৰাস্ত কৰি দিয়াই চূড়ান্ত ৮ত প্ৰৱেশ কৰে। কোৱাৰ্টাৰ ফাইনেলত তেওঁ জাৰ্মানীৰ ছেবিন উইণ্টাৰৰ বিৰুদ্ধে খেলিব। মহিলাৰ ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত আজি বিয়লি দিয়া চিটালে আৰু যশস্বিনী ঘোৰপাড়ে যুটিয়ে চীনৰ হু য়ি আৰু ডিং য়িজিয়ে যুটিৰ বিৰুদ্ধে খেলিব। মিক্সড ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলতো মনুষ শ্বাহৰ সৈতে যুটি বান্ধি দিয়াই টিউনিছিয়াৰ ৱাছিম ইছিড আৰু ইজিপ্তৰ হানা গ'ডা যুটিৰ বিৰুদ্ধে খেলিব।

প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছত দ্বিতীয় বাছনিৰ ভাৰতৰ মনুষ শ্বাহ আৰু মানৱ থক্কৰে টিউনিছিয়াৰ ৱাছিম ইছিড আৰু নেডাৰনেণ্ডৰ ৰেমি কামবেট-ৰেইল যুটিৰ বিৰুদ্ধে আজি কোৱাৰ্টাৰ ফাইনেল খেলিব। পুৰুষৰ ছিংগ'লছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত আজি ভাৰতৰ অৱতাৰ হৰমিট দেশাই জাপানৰ হিৰ'ট' শ্বিন'জুকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০